# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

কৰ্ম মোৰ সংস্কৃতি

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


**প্ৰসংগ** : অজাবি/০০৯/১৪/২০২৩-২৪
*Ref :*

**তাৰিখ** : ১৪-১০-২০২৩
*Date :*

## ভাষাৰ মাধ্যমেৰে বেজবৰুৱাই অসমীয়া জাতিক প্ৰতিষ্ঠা কৰিছে : ড° সঞ্জীৱ পল ডেকা

## অসম জাতীয় বিদ্যালয়ত সাহিত্য দিৱস উদ্‌যাপন

**নুনমাটি, ১৪ অক্টোবৰ, ২০২৩ :** 'যি জাতিৰ এক চহকী পঢ়ুৱৈ সমাজ থাকে, সেই জাতি উচ্চ পৰ্য্যায়লৈ যাব পাৰে।'— অসম জাতীয় বিদ্যালয়ত আজি 'ৰসৰাজ সাহিত্য চ'ৰাৰ' উদ্যোগত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম দিৱস উপলক্ষে আয়োজিত সাহিত্য দিৱসৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট গল্পকাৰ তথা তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° সঞ্জীৱ পল ডেকাই এই মন্তব্য কৰে। তেওঁ সাহিত্যৰথী বেজবৰুৱাৰ সাহিত্য কৃতিৰ আলোকপাত কৰি সাহিত্যৰ ৰুচি নিৰ্মাণৰ ক্ষেত্ৰত বেজবৰুৱাই কিদৰে বলিষ্ঠ ভূমিকা লৈছিল সেই কথা উল্লেখযোগ্য দৃষ্টান্তৰে প্ৰকাশ কৰে। শৈশৱৰে পৰা ৰুচিশীল গ্ৰন্থ অধ্যয়নৰ অভ্যাস গঢ়ি তুলি এজন ভাল পঢ়ুৱৈ হ'বলৈ তেওঁ শিক্ষাৰ্থীসকলক আহ্বান জনায়। অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰীয়ে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰতিচ্ছবিৰ লগতে আজিৰ দিনটোতে জন্মগ্ৰহণ কৰা জ্ঞানপীঠ বঁটা বিজয়ী সাহিত্যিক ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ প্ৰতিচ্ছবিৰ সন্মুখতো বন্তি প্ৰজ্বলন কৰে। বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে আদৰণী ভাষণ প্ৰদান কৰে। সাহিত্য দিৱসৰ সৈতে সংগতি ৰাখি সদৌ অসম ভিত্তিত আয়োজন কৰা সাহিত্য প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলকো আজি এই অনুষ্ঠানতে পুৰস্কৃত কৰা হয়। ঘোষিত ফলাফল অনুসৰি প্ৰতিযোগিতাৰ প্ৰথমটো শাখাত (ৰথীন্দ্ৰনাথ গোস্বামীৰ 'পোৱালমণি আৰু চিচিঙৰ দুঃসাহসিক অভিযান'ৰ এটি আলোচনা।) প্ৰথম পুৰস্কাৰ লাভ কৰে সৰলা-বিৰলা জ্ঞানজ্যোতি, উত্তৰ গুৱাহাটীৰ যুগব্ৰতা মহন্তই। দ্বিতীয় পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটিৰ নিষ্ঠা বৰগোহাঁয়ে। তৃতীয় পুৰস্কাৰ লাভ কৰে গোলাঘাট জাতীয় বিদ্যালয়ৰ অনুব্ৰতা হাজৰিকাই। প্ৰতিযোগিতাৰ দ্বিতীয়টো শাখাত (বিষয় : ৰুবুল মাউতৰ 'মোৰো এটা সপোন আছে' পুথিখনৰ এটি আলোচনা।) প্ৰথম পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটিৰ গহনা চক্ৰৱৰ্তীয়ে। দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে ক্ৰমে অসম জাতীয় বিদ্যালয় নুনমাটিৰ মেধাজ্যোতি নাথ আৰু হাৰমতি জাতীয় বিদ্যালয়, লখিমপুৰৰ দীক্ষা বৰাই। আনহাতে 'গ' শাখাত ('অসমীয়া সংবাদ পত্ৰৰ ইতিহাস') প্ৰথম পুৰস্কাৰ লাভ কৰে গোলাঘাট জাতীয় বিদ্যালয়ৰ আপ্লুতা শইকীয়াই। আনহাতে প্ৰতিযোগিতাত যুটীয়াভাৱে দ্বিতীয় পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটিৰ ধৃ-বৰ্ণা বৰগোহাঞি আৰু সাক্ষী প্ৰিয়ম্বদাই। আনহাতে তৃতীয় পুৰস্কাৰ লাভ কৰে গোলাঘাট জাতীয় বিদ্যালয়ৰ লীজা ৰাভাই। আজিৰ অনুষ্ঠানত সাহিত্য প্ৰতিযোগিতাৰ বিচাৰক গুৱাহাটী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° ধৰণী লাহন আৰু পাণ্ডু মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক প্ৰাঞ্জল তালুকদাৰো উপস্থিত থাকে। এই অনুষ্ঠানতে জ্ঞানপীঠ বঁটা বিজয়ী প্ৰথমগৰাকী অসমীয়া ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ জীৱন আৰু সাহিত্য সম্পৰ্কে আলোকপাত কৰে বিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষক দোলন বৰাই। দিৱস উপলক্ষে প্ৰকাশ কৰি উলিওৱা প্ৰাচীৰ পত্ৰিকা 'কাকতৰ টোপোলা' উন্মোচন কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সচিব ডা° নাৰায়ণ শৰ্মাই। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি বিদ্যালয়ৰ একাংশ নিৰ্বাচিত শিক্ষাৰ্থীয়ে বেজবৰুৱাদেৱৰ সৃষ্টিৰ আধাৰত গীত-নৃত্য পৰিৱেশন কৰে। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ নাট্য চিন্তা সম্পৰ্কে আলোকপাত কৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱাই। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় বিদ্যালয়ৰ উপাধ্যক্ষা অপৰাজিতা বৰাই। সাহিত্য দিৱসৰ অনুষ্ঠানটোৰ আহ্বায়কৰ দায়িত্বত আছিল বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী সোণালী গগৈ আৰু গণিত বিভাগৰ শিক্ষয়িত্ৰী কল্যাণী পাটগিৰি। বিদ্যালয়ৰ দশম শ্ৰেণীৰ শিক্ষাৰ্থী লয়ন ৰঞ্জন শইকীয়া আৰু অষ্টম শ্ৰেণীৰ শিক্ষাৰ্থী ডঁৰিয়লি ডেকাই অনুষ্ঠানটোৰ সাৱলীলভাৱে আঁত ধৰে।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়